# এপিজয় চাহ আৰু ডব্লিউ ডব্লিউ এফে শোণিতপুৰত হাতী-মানুহ সংঘৰ্ষ প্ৰতিৰোধ কৰিবলৈ তিনি বছৰীয়া সহযোগিতাৰ প্ৰভাৱ সম্পৰ্কে কৰিলে ঘোষণা

**গুৱাহাটী, ২৪ আগষ্ট, ২০১৮ ঃ** এপিজয় চাহ আৰু ডব্লিউ ডব্লিউ এফ ভাৰতে আজি অসমৰ নিৰ্বাচিত ক্ষেত্ৰত মানুহ-হাতী সংঘৰ্ষ প্ৰতিৰোধ কৰিবলৈ আৰু পৰিচালনা কৰিবলৈ তেওঁলোকৰ সফল সহযোগিতা (২০১৫-১৮)ৰ ফলাফলৰ ঘোষণা কৰে। এপিজয় চাহ আৰু ডব্লিউ ডব্লিউ এফ ভাৰতৰ মাজৰ তিনি বছৰীয়া অংশীদাৰিত্ব এই ধাৰাত শোণিতপুৰ জিলাত বিশেষতঃ হাতী-মানুহৰ সংঘাত পৰিচালনাৰ ক্ষেত্ৰত সমৰ্থন জনোৱা প্ৰথমটো পদক্ষেপ।

এপিজয় চাহৰ সৈতে সফল অংশীদাৰিত্বৰ ফলাফল ঘোষণা কৰি **ড° দীপাংকৰ ঘোষ, পৰিচালক, প্ৰজাতি আৰু পৰিদৃশ্য, ডব্লিউ ডব্লিউ এফ ভাৰতে** কয়— "ডব্লিউ ডব্লিউ এফ ভাৰতৰ এপিজয় চাহৰ লগত তিনি বছৰীয়া দীঘলীয়া অংশীদাৰিত্বই হাতী-মানুহৰ সংঘাতক পৰিচালনাৰ কাৰণে শোণিতপুৰ জিলাত প্ৰভাৱ পেলাইছে। সংঘৰ্ষপ্ৰৱণ বাগানসমূহত কিছুমান বিশেষ সংঘৰ্ষ পৰিচালনা ৰণনীতিৰ জৰিয়তে কেইবাটাও পৰ্যায়ত প্ৰয়োগ কৰা হৈছে যিয়ে হাতী-মানুহৰ সংঘাতৰ ফলত হোৱা লোকচানক কম কৰিবলৈ সক্ষম হৈছে।"

এই তিনি বছৰীয়া অংশীদাৰিত্বৰ ফলাফল ডব্লিউ ডব্লিউ এফ ভাৰতৰ এক সংৰক্ষণ সংগঠন হিচাপে আৰু এপিজয় চাহৰ কৰ্পʼৰেট অংশীদাৰ হিচাপে দীৰ্ঘকালীন মহত্ত্ব আছে, যি অসমত হাতী-মানুহৰ সংঘাত পৰিচালনাত এক মহত্ত্বপূৰ্ণ হিতাধিকাৰী। ডব্লিউ ডব্লিউ এফে এপিজয় চাহ কৰ্তৃপক্ষ, আৱাসী আৰু স্থানীয় জনগোষ্ঠীৰ সৈতে একেলগ হৈ কাম কৰিছে, যাতে শোণিতপুৰত অৱস্থিত এপিজয় চাহৰ ১৭খন চাহ বাগিচাৰ চাৰিখন বাগিচা ক্ৰমে বৰজুলি, গড়আলি, ধূলাপাদুং আৰু চেঁচা বাগিচাত সমগ্ৰ সমাধানৰ মাজেৰে হাতী-মানুহৰ সংঘাত পৰিচালনা কৰিব পাৰি।

**এপিজয় সুৰেন্দ্ৰ গ্ৰুপৰ চি এছ আৰ পৰিচালক ৰেণু কক্কৰে** কয়— "শোণিতপুৰৰ চাহ বাগিচাত হাতী-মানুহৰ সংঘাতৰ ফলত ৫০% লোকৰ মৃত্যু হোৱাৰ তথ্য পোৱা যায়। যেতিয়া এপিজয় চাহ আৰু ডব্লিউ ডব্লিউ এফে একেলগে কাম কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে সেই সময়ত শোণিতপুৰত অন্য চাহ বাগিচাৰ দৰে এপিজয়ৰ চাৰিখন চাহ বাগিচা হাতী-মানুহৰ সংঘাতেৰে প্ৰভাৱিত আছিল। এপিজয় প্ৰথমটো চাহ কোম্পানী যিয়ে শোণিতপুৰত হাতী-মানুহৰ সংঘাত পৰিচালনাৰ বাবে অৰ্থনৈতিক সহায় আগবঢ়াইছে। দাতা আৰু তাৰ সমানে পীড়িত হিচাপে ডব্লিউ ডব্লিউ এফৰ সৈতে আৰ অংশীদাৰিত্বৰ সফলতাই আমাক সমাধানসমূহৰ সম্পৰ্কে মূল্যৱান অন্তৰ্দৃষ্টি প্ৰদান কৰিছে।"

এপিজয় চাহ বাগিচাত স্থাপিত কম খৰচী সৌৰশক্তি চালিত হেঙাৰে মানৱ জীৱন আৰু সম্পত্তিৰ কাৰণে হাতী-মানুহৰ সংঘাতৰ ফলত হোৱা লোকচানক কম কৰাত প্ৰভাৱশালী প্ৰদৰ্শন আগবঢ়ায়। এই ধাৰণাটো ইতিমধ্যে বহুতো চৰকাৰী আৰু বেচৰকাৰী সংস্থাই ৰাজ্যখনত প্ৰয়োগ কৰিছে। বিপদসংকুল অঞ্চলত বনৰীয়া হাতীৰ প্ৰৱেশ ৰোধ কৰিবলৈ জোঙা কাঁইটীয়া বাঁহেৰে তৈয়াৰ কৰা জৈৱ হেঙাৰৰো ব্যৱহাৰ কৰা হয়। হাতী-মানুহৰ সংঘাত আৰু ইয়াৰ পৰিচালনাৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে গাঁও পৰ্যায়ত নিয়মিত বৈঠক আৰু আলোচনা, এণ্টি ডিপ্ৰেছন অৰিয়েণ্টেশ্বন আৰু বাটৰ নাটকে মহত্ত্বপূৰ্ণ ঘটক হিচাপে কাম কৰে।

ডব্লিউ ডব্লিউ এফ ভাৰত আৰু এপিজয় চাহে আজি ঘোষণা কৰে যে ব্ৰহ্মপুত্ৰ পৰিদৃশ্যত সকলো চাহ বাগিচাত এক ব্যাপক হাতী-মানুহৰ সংঘাত পৰিচালনা প্ৰট'কল আৰু ৰণনীতি তেওঁলোকৰ অংশীদাৰিত্বৰ ফলাফলসমূহৰ সৈতে স্পষ্ট হোৱাৰ প্ৰয়োজনীয়তা আছিল। "এপিজয় চাহে অন্য চাহ কোম্পানী আৰু ডব্লিউ ডব্লিউ এফৰ মাজত সহযোগিতা স্থাপনৰ এক ভেটি স্থাপন কৰিছে যাতে ডব্লিউ ডব্লিউ এফে তেওঁলোকক ওচৰৰ পৰা সহযোগিতা আগবঢ়াব পাৰে, যিদৰে এপিজয় চাহৰ লগত সফলতাৰে মিলিত হৈছে।" তিনি বছৰীয়া দৈৰ্ঘ্যৰ আঁচনিৰ পৰা আনি যি বুজিলোঁ তাৰ পৰা আমাৰ বিশ্বাস যে ইয়াৰ এক বহু পক্ষীয় সহযোগিতাই ডব্লিউ ডব্লিউ এফক পৰিদৃশ্যত সকলো চাহ বাগিচাত বৃহৎ হাৰত হস্তক্ষেপ প্ৰয়োগ কৰা আৰু ব্যাপক হাতী-মানুহৰ সংঘাত পৰিচালনাৰ প্ৰট'কল বিকশিত কৰাত সহায় কৰিব।"— **ৰেণু কক্কৰে কয়**।

অসমৰ চাহ বাগানত হাতীৰ সৈতে জড়িত সংঘাত পৰিচালনা কৰিবলৈ এক ধাৰাবাহিক প্ৰচেষ্টাই এছিয়াৰ আটাইতকৈ ডাঙৰ স্থল প্ৰজাতিক ৰক্ষা কৰাত সহায়ক হ'ব পাৰে আৰু সম্পত্তিৰ হানি আৰু হাতী-মানুহৰ প্ৰাণহানিৰ হাৰক কম কৰিব পাৰি। 'ডব্লিউ ডব্লিউ এফ ভাৰতত আমি বিশ্বাস কৰোঁ যে আমি স্থানীয় জনগোষ্ঠী, অসম বন বিভাগ, নিৰ্বাচিত ৰাজহুৱা প্ৰতিনিধি (সাংসদ/বিধায়ক) আৰু নাগৰিক প্ৰশাসনৰ সমৰ্থনৰ সৈতে অন্য বাগানৰ ক্ষেত্ৰত এই পদক্ষেপসমূহ বৃদ্ধি কৰাত সহায় কৰিব।"— **ড° ঘোষে লগতে কয়**।

অসম বন বিভাগৰ বিষয়াসকলে হাতী আৰু এপিজয় চাহ বাগিচাৰ আৱাসীসকলৰ চিন্তাধাৰাত ধনাত্মক পৰিৱৰ্তন দেখা পাইছে। এপিজয় চাহ আৰু ডব্লিউ ডব্লিউ এফ ভাৰতে এপিজয় চাহ বাগিচাত ১৫ মিনিটৰ শিক্ষামূলক চিনেমা 'হুমৰাঘৰ'ত সফল ৰণনীতিৰ তথ্য সন্নিৱিষ্ট কৰা হৈছে, যাৰ প্ৰয়োগ অন্য চাহ বাগানৰ দ্বাৰা হাতী-মানুহৰ সংঘাত পৰিচালনা কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি।

তিনি বছৰীয়া অংশীদাৰিত্বৰ এই আঁচনিৰ মূল ফলাফলসমূহ হ'ল—

- হাতী-মানুহৰ সংঘাতৰ ফলশ্ৰুতিত এপিজয় চাহ বাগিচাত বিগত তিনিবছৰত বিত্তীয় লোকচান ৭৪% হ্ৰাস পাইছে।
- শোণিতপুৰত হাতী-মানুহৰ সংঘৰ্ষৰ ফলত মৃত্যু হোৱা মানুহ আৰু হাতীৰ সংখ্যা হ্ৰাস পাইছে ঃ ২০১৭ বৰ্ষত ৩টা হাতী আৰু ১১জন লোক নিহত হৈছে, তাৰ তুলনাত ২০১৩ চনত ৮টা আৰু ১৬জন লোকৰ মৃত্যু হৈছিল।
- ৭টা প্ৰাৰম্ভিক সতৰ্কীকৰণ প্ৰণালী স্থাপিত কৰা হৈছে— এপিজয় চাহৰ ধূলাপাদুং আৰু চেঁচা বাগিচাত নিষ্ক্ৰিয় ইন্‌ফ্ৰা-ৰেড ছীষ্টেমৰ ৬টা শাখা আৰু চেঁচা বাগিচাত এটা সক্ৰিয় ইন্‌ফ্ৰা ৰেড ছীষ্টেম লগোৱা হৈছে।
- এই আঁচনিৰ এবছৰত ১১১ বাৰ বনৰীয়া হাতীক সফলতাৰে প্ৰশিক্ষিত হাতী অথবা 'কংকিসিন'ৰ সহায়ত নিকটৱৰ্তী হাবিলৈ ঘূৰাই পঠিওৱা হয়।
- বিগত ৩ বৰ্ষত হাতী-মানুহৰ সংঘাত পৰিচালনা সম্পৰ্কীয় ১৪খন অধিবিন্যাস সভা (Orientation meet) আঁচনিৰ অধীনত আয়োজন কৰা হৈছে।

- কাজিৰঙা এন পিৰ কাষৰ শোণিতপুৰ, লখিমপুৰ, ধেমাজি আৰু নগাঁও জিলাত ১০০০ৰো অধিক ফ্ৰন্টলাইন কৰ্মচাৰী আৰু এণ্টি ডিপ্ৰেডেশ্বন স্বোৱাড সদস্যক হাতী-মানুহৰ সংঘাত সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হয়।
- এইচ ই চি এম সংযোগ অভিযানত ৪৭খন বাটৰ নাটক, ২০খন চিনেমা প্ৰদৰ্শন আৰু ১০০০খন পোষ্টাৰ ব্যৱহাৰ কৰা হয়।
- হঠাতে হ'ব পৰা হাতী-মানুহৰ মুখামুখি ৰোধ কৰিবলৈ ২৮খন বিপদসংকুল স্থানত সৌৰশক্তি চালিত ষ্ট্ৰীটলাইট স্থাপন কৰা হৈছে।
- উদ্ভাৱনীমূলক সমাধানৰ আৰম্ভণিৰে ১২.৫কিঃমিঃ অঞ্চলত জোঙা বাঁহৰ জেওৰা দিয়াৰ লগতে এপিজয় চাহে ইয়াক প্ৰতিপাল কৰি আহিছে।
- জোঙা বাঁহৰ দুখন বাৰী সৃষ্টি কৰা হৈছে আৰু ইয়াক এপিজয় চাহে প্ৰতিপাল কৰি আহিছে। বৰ্তমান ইয়াত বাঁহৰ সংখ্যা হ'ল ৯,০৬৩ জোপা।
- হাতীৰ কাৰণে হোৱা হানিৰ মাত্ৰা নিৰূপণ কৰিবলৈ এটা মেট্ৰিক্স বনোৱা হৈছে।
- ৭০টা এণ্টি ডিপ্ৰেডেশ্বন স্কোৱাড গঠিত হ'ল আৰু শোণিতপুৰত ১৬০০তকৈ অধিক সদস্যক প্ৰশিক্ষণ দিয়া হ'ল, ইয়াৰে ভিতৰত ২০টা এ ডি এছ আৰু ৩০০তকৈ অধিক সদস্যই এপিজয়ৰ চাহ বাগিচাত প্ৰশিক্ষণ লৈছিল।
- এপিজয়ৰ চাহ বাগিচা আৰু কাষৰীয়া গাঁওসমূহত বাস কৰা ৮০০০তকৈ অধিক লোকক হাতী-মানুহৰ সংঘাত সম্পৰ্কে সজাগ কৰা হয়।
- বিগত বৰ্ষত ৪৪২.৫ হেক্টৰ কৃষিভূমি হাতী-মানুহৰ সংঘাতৰ ফলত বিনষ্ট হৈছিল যদিও ২০১৭ বৰ্ষত সৌৰশক্তি চালিত জেওৰাৰ প্ৰতিষ্ঠাপনৰ ফলত ই হ্ৰাস পাই ১২০ হেক্টৰ হৈছেগৈ।
- জনগোষ্ঠীসমূহ, অসম বন বিভাগ, স্থানীয় বিধায়ক আৰু অন্য হিতাকাংক্ষীৰ সহযোগত উত্তৰ দিশৰ পৰিদৃশ্যত ১৩৬ কিঃমিঃ অঞ্চলত সৌৰশক্তিচালিত জেওৰাৰ স্থাপন কৰাৰ পিছত সংঘাত ৯০% হ্ৰাস পাইছে। ইয়াৰে ১৫.৫ কিঃমিঃ এপিজয়ৰ চাহ বাগিচাত আছে আৰু ১৭জন লোকক ইয়াৰ প্ৰতিপাল কৰিবলৈ প্ৰশিক্ষিত কৰা হৈছে। বিদ্যালয়, সাৰ্বজনীন স্বাস্থ্য কেন্দ্ৰসমূহ আৰু আৱাসিক অঞ্চলসমূহৰ প্ৰায় ২,০০,০০০ লোকে এইধৰণৰ জেওৰা স্থাপনৰ ফলত লাভান্বিত হৈছে।

**For Media Queries, please contact-**

Vinita Singh, Apeejay Tea
Email: vinitasingh@apeejaygroup.com
M: +91 9330992015

Rituparna Sengupta, WWF-India
Email:rsengupta@wwfindia.net
M: +91 9810514487

Indira Akoijam, WWF-India
Email: iakoijam@wwfindia.net
M: +91 9711692252

**About Apeejay Tea**

Apeejay Tea, an Apeejay Surrendra Enterprise, is amongst India's oldest and 3rd largest tea producer. It has 17 tea estates in the prime tea growing areas of Tinsukia, Dibrugarh, Charaideo, Udalguri and Sonitpur District of Assam spread over 50,000 acres. The Estates are ISO 9001: 2008 certified and are under Ethical Tea Partnership. Two premium estates Khobong & Budlabeta are HACCP Certified and 11 of our estates are Rainforest Alliance Certified and 13 of our estates have Trustea certifications and all the estates follow the Sustainable Agricultural Network standards. Apeejay Tea acquired Typhoo, UK's third largest and an over 100-year-old iconic British tea brand, in 2005 which is today retailing in nearly 50 countries globally including India. To know more, please visit us at www.apeejaytea.com

**About WWF-India**

WWF-India is one of the largest conservation organizations in the country, engaged in wildlife and nature conservation. It has an experience of over four decades in the field and has made its presence felt through a sustained effort not only towards nature and wildlife conservation, but also through sensitizing people by creating awareness through capacity building and enviro-legal activism. The key areas of the work of WWF-India include conservation of key wildlife species and their habitats, management of rivers, wetlands and their eco-systems, promoting sustainable livelihoods, environment education and awareness activities within a variety of social structures, mitigating the impacts of climate change, transforming businesses and markets towards sustainability and combating illegal wildlife trade.

A part of WWF International, one of the world's largest and most respected independent conservation organizations, with over 5 million supporters and a global network active in over 100 countries. WWF-India has a nationwide presence in the country with over 60 state and field offices distributed over 20 states. WWF's mission is to stop the degradation of the earth's natural environment and to build a future in which humans live in harmony with nature, by conserving the world's biological diversity, ensuring that the use of renewable natural resources is sustainable, and promoting the reduction of pollution and wasteful consumption.

To know more about WWF-India, please visit us at www.wwfindia.org